**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-10-2025
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি বোৰ্ডে ৭ হাজাৰ ৬৫০ টা তৃতীয় বৰ্গৰ পদৰ বাবে অনুষ্ঠিত কৰা পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰে। পুৱা চাৰে দহ বজাৰ লগে লগে কেইবাটাও ৱেৰছাইটত ফলাফল ঘোষণা কৰা হয়। ফলাফল ঘোষণাৰ পূৰ্বে তৃতীয় বৰ্গৰ পদসমূহৰ বাবে গঠন কৰা ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত এখন সংবাদমেল সম্বোধন কৰে। আয়োগৰ অধ্যক্ষ তথা ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব অজয় তিৱাৰীয়ে সাংবাদিকক সম্বোধন কৰি কয়, যে স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰ মাজেৰে লিখিত পৰীক্ষা আৰু দক্ষতা পৰীক্ষাৰ অন্তত আজি ৭ হাজাৰ ৬৫০ টা তৃতীয় বৰ্গৰ পদৰ ফলাফল ঘোষণা কৰা হৈছে।

ooooo

ডিব্ৰুগড়ৰ ফুলবাগানৰ সমীপত জোগাৰ্ছ পাৰ্ক আৰু কছাৰী ঘাট শেহতীয়াকৈ ব্ৰহ্মপুত্ৰৰ তীব্ৰ খহনীয়াৰ কবলত পৰিছে। ৰাজ্য চৰকাৰৰ জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই কালি খহনীয়াগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি প্ৰতিৰোধৰ ব্যৱস্থাৰ বাবে বিভাগক নিৰ্দেশনা দিয়াৰ এদিন পাছতে আজি কেন্দ্ৰীয় চৰকাৰৰ বন্দৰ আৰু জাহাজ পৰিবহন বিভাগৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ক্ষেত্ৰ পৰিদৰ্শন কৰি খহনীয়া ৰোধৰ বাবে তৎকালীনভাৱে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে খহনীয়াস্থলী পৰিদৰ্শন কৰি সামগ্ৰিক অৱস্থাৰো বুজ লয়। লগতে অধিক ক্ষয়-ক্ষতি ৰোধৰ বাবে ৰাজ্য চৰকাৰৰ জলসম্পদ বিভাগক নিৰ্দেশ দিয়ে।

বাইট ঃ সোণোৱাল

oooo

কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০২৫-২৬ বৰ্ষৰ সাধাৰণ নিৰ্বাচনৰ আজি ফলাফলসমূহ ঘোষণা কৰা হয়। ঘোষিত ফলাফল অনুসৰি সভাপতি পদত দীপশেখৰ কলিতা, উপ সভাপতি পদত তুজা ব্ৰহ্ম, সাধাৰণ সম্পাদকৰ পদক কীৰ্তিময় কাশ্যপ জয়ী হৈছে।

ooooo

চানমাৰিৰ উৰণ সেতুৰ মেৰামতি সংক্ৰান্তীয় কামৰ বাবে গুৱাহাটী কমাৰ্চ কলেজৰ পৰা চানমাৰি ট্ৰেফিক পইণ্টলৈ অহা সকলো যান-বাহনৰ চলাচল অহা ১৩, ১৫ আৰু ১৭ অক্টোবৰত নিশা ১০ বজাৰ পৰা পুৱা ৬ বজালৈ বন্ধ থাকিব। নিউ গুৱাহাটী ক্ষেত্ৰীয় পথ সংমণ্ডলৰ লোক নিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তাৰ

কাৰ্যালয়ৰ সূত্ৰই এখন ৰাজহুৱা জাননীৰ জৰিয়তে এই কথা ঘোষণা কৰিছে। জাননীখনত উল্লেখ কৰা অনুসৰি বন্ধ থাকিবলগীয়া পথসমূহৰ বিকল্প হিচাপে ৰাজগড়-পূব শৰণীয়া পথ, এম টি ৰোড-বামুণীমৈদাম ৰে'লৱে ক'লনী ৰোড, মঠঘৰীয়া-নুনমাটি পথ, কৃষ্ণনগৰ-মিলনপুৰ পথ জনসাধাৰণে যাতায়তৰ বাবে ব্যৱহাৰ কৰিব পাৰিব।

00000

আজি মৰিগাওঁ জিলা কৃষি বিভাগৰ উদ্যোগত আৰু HIL ইণ্ডিয়া লিমিটেডৰ সহযোগত কীটনাশকৰ নিৰাপদ আৰু সঠিক ব্যৱহাৰৰ সন্দৰ্ভত এখন জিলা পৰ্যায়ৰ সজাগতা সভা অনুষ্ঠিত হয়। সজাগতা সভাখনত জিলাখনৰ প্ৰায় ২৫০ গৰাকীৰো অধিক কৃষকক সামৰি লোৱা হয় আৰু কৃষকসকলৰ মাজত কীটনাশক ছটিওৱা সৰঞ্জাম বিতৰণ কৰা হয়।

00000

২০২৬ বৰ্ষৰ ২৫ জানুৱাৰীত নিউজিলেণ্ডৰ সৈতে ভাৰতত হ'বলগীয়া টি টুৱেণ্টি আন্তৰাষ্ট্ৰীয় ক্ৰিকেট খেলৰ তৃতীয়খন খেল গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। অসম ক্ৰিকেট এছোছিয়েছনে আজি এখন প্ৰেছ বিজ্ঞপ্তিযোগে এইকথা প্ৰকাশ কৰে।

00000

মৰিগাওঁ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত ক্ষিৰোদ বৰুৱা ষ্টেডিয়ামত শিশুৰাম হাজৰিকা আৰু ডাঃ সতিশ দাস সোঁৱৰণী এ ডিভিজন আন্তঃক্লাৱ ফুটবল লীগ অনুষ্ঠিত হৈছে। আজি প্ৰথমখন খেলত বিগত বৰ্ষৰ ছেম্পিয়ন মৰিগাঁৱৰ নৱজ্যোতি ক্লাৱে অসমজ্যোতি ক্লাৱক ৩-০ গলত পৰাস্ত কৰে।

00000

গুৱাহাটীৰ বৰ্ষাপাৰাত থকা অসম ক্ৰিকেট এছোছিয়েছনৰ ষ্টেডিয়ামত আজি মহিলা বিশ্বকাপৰ নিউজিলেণ্ড আৰু বাংলাদেশৰ মাজত এখন খেল অনুষ্ঠিত হৈছে। খেলখনত নিউজিলেণ্ডে টছত জয়লাভ কৰি প্ৰথমে বেটিঙৰ সিদ্ধান্ত লয়। দলটোৱে নিৰ্ধাৰিত ৫০ অভাৰত ৯ টা উইকেট হেৰুৱাই ২২৭ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত বাংলাদেশে আমি বাতৰি যুগুতোৱাৰ পৰলৈকে ৩২ অভাৰত ৭ উইকেটৰ বিনিময়ত ৯২ ৰাণ সংগ্ৰহ কৰিছে।

00000

ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে দ্বিতীয়খন টেষ্টৰ প্ৰথম দিনাই ভাৰতে প্ৰথম ইনিংছত শক্তিশালী স্থিতিত উপনীত হৈছে। অপেনাৰ যশস্বী জয়চোৱালৰ অপৰাজিত ১৭৩ ৰাণৰ সহায়ত ভাৰতে দিনান্তত ২ উইকেট হেৰুৱাই ৩১৮ ৰাণ সংগ্ৰহ কৰিছে। দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ভাৰতে টছত জয়লাভ কৰি প্ৰথমে বেটিঙৰ সিদ্ধান্ত লয়।

00000

ঃঃ সমাপ্ত ঃঃ